"কাঁইটীয়া তাঁৰৰ বেৰৰ সিফালে থকা মাটিলৈ আমাৰ মানুহখিনি কেনেকৈ যায়?" বেৰৰ দুইপাৰে থকা মাটিত ধান, জিকা, কবি, ভাত-কেৰেলা আদি বিভিন্ন খেতিত কাম কৰি থকা মানুহখিনিলৈ আঙুলিয়াই অম্বালিকাই সুধিলে।

"সেইটো আন এটা ডাঙৰ সমস্যা। কাঁইটীয়া তাঁৰৰ বেৰৰ লগতে এক কিল'মিটাৰ অন্তৰে অন্তৰে গে'ট আছে। সেইখন চোৱা।" প্ৰফেছাৰে ক'লা ৰং মাৰি থোৱা লোহাৰ গে'ট এখনলৈ আঙুলিয়াই দেখুৱালে। অম্বালিকাই দেখিলে ৮ ফুটমান ওখ আৰু ১২ ফুটমান বহল গে'টখনত বগা আখৰেৰে গে'ট নম্বৰ ১০ বুলি ইংৰাজীতে লিখা আছে। গে'টখনত তলা মাৰি বন্ধ কৰি থোৱা আছে।

"গে'টখনতো বন্ধ আছে। আৰু নম্বৰটো কিহৰ?" —তাই সুধিলে।

"সীমান্তৰ এই গে'টবোৰ ৰাতিপুৱা আঠ বজাতহে খোলাৰ নিয়ম। আবেলি পাঁচ বজাত বন্ধ কৰাৰ। বেৰৰ সিপাৰে থকা মাটিৰ মালিকে আঠ বজাত গে'টলৈ আহি বিএছএফৰ ৰেজিষ্টাৰ বহীত নাম লিখাব লাগে। গৰু-বাছৰু লৈ গ'লে সেইবিলাকৰো সংখ্যা বিৱৰণ আদি লিখি যাব লাগে। সেইখিনি কৰি আজৰাওঁতেই আধা, পৌনে এঘণ্টা সময় যায়। কেতিয়াবা আকৌ মাটিত কাম কৰিবলৈ অহা বনুৱাক বিএছএফে জোৰ-জুলুমকৈ নিজৰ কামতো লগায়। সিফালে আবেলি চাৰি বজাৰ লগে লগে মানুহবোৰ উভতি আহি আকৌ ৰেজিষ্টাৰত নাম লিখাই ইপাৰলৈ আহিব লাগে। মুঠতে দিনটোত খুব বেছি ছঘণ্টা কাম কৰিব পাৰে আমাৰ ফালৰ খেতিয়কসকলে।" সীমান্তৰ মানুহে প্ৰতিদিনে ভুগিবলগীয়া হোৱা সমস্যাবোৰৰ কথা প্ৰফেছাৰে কৈ গ'ল।

"বাংলাদেশৰ ফালেতো বেৰ নাই। সেইফালৰ মানুহে যেতিয়াই তেতিয়াই নিজৰ মাটিলৈ আহিব পাৰে। নহয় জানো?" অম্বালিকাৰ মনলৈ হঠাতে এই প্ৰশ্নটো আহি পৰিল।

"ঠিক কৈছা। বাংলাদেশৰ মাটিত কোনো বেৰ সজা হোৱা নাই। সিফালৰ খেতিয়কে সীমান্তৰ পিলাৰৰ ওচৰলৈকে খেতি কৰে আৰু দিন, ৰাতি যেতিয়াই-তেতিয়াই অহা-যোৱাও কৰিব পাৰে। তেওঁলোকৰ গৰু-বাছৰু, ম'হ-ছাগলীও বিনা বাধাই ঘূৰি ফুৰিব পাৰে।"

"সেইটোতো সাংঘাতিক কথা। আমাৰ খেতিয়কসকলে কৰা খেতি দেখোন সিপাৰৰ গৰু-ছাগলীয়েই খাই তহিলং কৰিব।"

"কৰে কৰে। বাংলাদেশৰ মানুহৰ গৰু-ম'হ আহি আমাৰ মানুহৰ খেতি খোলা খাই উদং কৰাৰ উদাহৰণ বহুত আছে। তাতোকৈ ডাঙৰ কথা, কেতিয়াবা কেতিয়াবা আমাৰ মানুহে ইমান কষ্ট কৰি কৰা শস্য চপাবলৈও নাপায়। সিপাৰৰ মানুহে বিএছএফৰ চকুত ধূলি দি শস্য কাটি লৈ যায় বা গৰু-ম'হক খুৱাই দিয়ে। কাঁইটীয়া তাঁৰৰ বেৰে আমাৰ মানুহখিনিক বাৰুকৈয়ে ভোগাইছে।" এইখিনি কথা ক'লে ৰবিউলে। তাৰ কথাত ক্ষোভৰ সুৰ স্পষ্ট।

সিহঁত আগবাঢ়ি গৈ আছিল। অম্বালিকাৰ চকুত পৰিল ছাইনবৰ্ড এখন, কুকুৰমাৰা বিঅ'পি। লগতে কুকুৰমাৰালৈ যোৱা পথৰ নিৰ্দেশনা ফলক। তাত এখন গে'টো আছে কাঁইটীয়া তাঁৰৰ বেৰ পাৰ হৈ সিফালে যোৱাৰ। তাই পঢ়ি চালে 'কুকুৰমাৰালৈ ১.৫ কিল'মিটাৰ।'

"আমি কুকুৰমাৰা পাৰ হৈ হাটশিঙিমাৰিলৈ যাম। এইফালৰ ৰাস্তাটোৰ ওপৰত থকা কালৰ্ভাটটো ভাগিছে। উপপথ এটা নিৰ্মাণ কৰিবলৈ মাটি পেলাইছে। কাম শেষ হোৱা নাই। দুদিনমান লাগিব বুলি শুনিছোঁ।" তাই কুকুৰমাৰালৈ যোৱা পথটোৰ ফালে চোৱা দেখি ৰবিউলে ক'লে।

"হাটশিঙিমাৰিলৈ যোৱা ৰাস্তা অত্যন্ত বেয়া বুলি শুনিছোঁ।" প্ৰফেছাৰে মাত দিলে।

"যোৱা বছৰ বানপানীয়ে ৰাস্তাটোৰ বহুত ঠাইত খহাইছে। গোটেইখন খলিয়া-খপিয়া হৈ আছে। পি ডব্লিউ ডিয়ে মাটি জাপি গাঁত কিছুমান মৰাৰ চেষ্টা কৰিছে। সেইটো ৰাস্তাইদিয়েই যাব লাগিব। উপায় নাই। ইয়াৰ মানুহে সেইটো ৰাস্তাইদিয়েই অহা-যোৱা কৰি আছে। ৰাস্তা অকল ইয়াতে বেয়া হোৱা নাই, মানকাচৰৰপৰা আগিয়ালৈ পূৰা ১১০ কিল'মিটাৰ বাটৰ অৱস্থাও একেই, শোচনীয়। মানকাচৰৰপৰা আগিয়া হৈ গুৱাহাটীলৈ দূৰত্ব ২২০ কিল'মিটাৰ। নাইট ছুপাৰে এইখিনি পথ যাওঁতে সময় লয় পূৰা বাৰ ঘণ্টা। সৰু গাড়ীৰে গ'লে গাড়ীৰ লগতে মানুহৰ শৰীৰৰ কল-কব্জাৰো জোৰা সুলকি যায়। আমি এনেকৈয়ে বছৰৰ পাছত বছৰ কষ্ট খাই আছোঁ।" ৰবিউলে ক্ষোভেৰে ক'লে। অম্বালিকাই নিৰৱে তাৰ কথা শুনিলে। সিহঁতৰ গাঁৱলৈ যোৱা ৰাস্তাটোৰ কথা তাইৰ মনত পৰিল। বাৰিষা সেইটো ৰাস্তাত হয় আঁঠুৱনীয়া বোকা, খৰালি ডেৰ, দুফুট ধূলি। গাড়ী-গুৰা নাযায়েই। স্থানীয় বিধায়কজনক হাজাৰবাৰ কোৱা হ'ল ৰাস্তাটোৰ দুৰৱস্থাৰ বিষয়ে। হ'ব হ'ব কৈ সেইজনেও দুটাকৈ টাৰ্ম কটাই দিলে।

"কি ভাবিছা?" তাই একো নোকোৱা দেখি প্ৰফেছাৰে প্ৰশ্ন কৰিলে। গাড়ীখন কুকুৰমাৰাৰ ৰাস্তাত উঠিছিল। গিটি দিয়া ৰাস্তা, মথাউৰি আচলতে। মাজে মাজে পানীয়ে খান্দিছে। ৰবিউলে গাড়ীখন খুব সাৱধানে চলাই নিছে। ৰাস্তাৰ দুয়োকাষে মানুহৰ বসতি। অম্বালিকাই ল'ৰা-ছোৱালী কিছুমান দেখিলে, ইউনিফৰ্ম পিন্ধি পিঠিত কিতাপৰ বেগ ওলমাই গৈ থকা।

"ইয়াৰ ল'ৰা-ছোৱালীবোৰে কি মাধ্যমৰ স্কুলত পঢ়ে?" তাই সুধিলে।

"২০১১ৰ লোকপিয়ল মতে দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ জনসংখ্যা চাৰে পাঁচ লাখৰ অলপ বেছি, মাটিকালি ৫৮৯ বৰ্গকিল'মিটাৰ। বেছিখিনিয়েই চৰ। সৰহখিনি মানুহ ইছলমাধৰ্মী। ৰাজবংশী আৰু বাঙালী হিন্দু এখিনিও আছে। অলপদিন আগলৈকে জিলাখনৰ আটাইবোৰ স্কুলেই আছিল অসমীয়া মাধ্যমৰ। এতিয়া দুই-চাৰিখন ইংৰাজী মাধ্যমৰ স্কুলো হৈছে।" প্ৰফেছাৰ ইছলামে গাড়ীৰ আইনাৰে দুইফালৰ শস্যভূমিৰ ফালে চাই ক'লে।

"কি কয়, ইয়াৰ আটাইবোৰ স্কুলেই অসমীয়া মাধ্যমৰ?"

"কিয়, বিশ্বাস হোৱা নাই?"

"নাই মানে..." তাইৰ খোকোজা লাগিল। প্ৰফেছাৰৰ প্ৰশ্নৰ আঁৰত যেন আৰু কিবা আছিল।

"বুজিছোঁ। আন বহুতৰ দৰে তোমাৰ মনতো একেটাই ধাৰণা আছে। ইয়াৰ মানুহখিনি বাংলাদেশী নহ'লেও পুৰণি পূব পাকিস্তান আৰু এতিয়াৰ বাংলাদেশৰপৰাই অহা। আংশিকভাৱে তোমাৰ ধাৰণাটো একেবাৰে ভুল বুলিও ক'ব নোৱাৰি। নতুনকৈ হোৱা চৰ কিছুমানত বাংলাদেশী মূলৰ মানুহ আছে। কিন্তু এই অঞ্চলৰ সৰহখিনি মানুহেই 'দেচী', ভাৰতীয় মূলৰ। সৰহখিনিয়েই মেচ-কছাৰী আৰু কোচ-ৰাজবংশীয় হিন্দুৰপৰা ধৰ্মান্তৰিত লোক।" ড° ইছলামে তাইৰ মুখলৈ চাই ক'লে।

প্ৰফেছাৰৰ কথা শুনি অম্বালিকা আচৰিত হোৱাই নহয়, কিছু পৰিমাণে বিবুধিতো পৰিল। জিলাখনৰ বেছিভাগ মানুহেই মুছলমান সেইকথা তাই জানিছিল। তাই ধৰিয়েই লৈছিল ইয়াৰ আটাইখিনি নহ'লেও সত্তৰ-আশী শতাংশ মানুহ বাংলাদেশীয় মূলৰেই হ'ব। প্ৰফেছাৰৰ কথা শুনি তাইৰ মুখৰ মাত হেৰাল।

গাড়ীখন মূল ৰাস্তাইদি থেকেচা মাৰি মাৰি গৈ আছিল। ৰাস্তাটোৰ বিবৰ্ণ অৱস্থাটো অম্বালিকাৰ লগে লগেই চকুত পৰিল। ৰবিউলে খুব সাৱধানে গাড়ীখন গাঁতবোৰৰপৰা বচাই চলোৱাৰ চেষ্টা কৰিছে। তথাপি মাজে মাজে গাঁতত পৰি গাড়ীখনে জঁপিয়াই উঠে। তাই কিবা এষাৰ কওঁ বুলি ভাবোঁতেই গাড়ীখন ডাঙৰ গাঁত এটাত পৰিল। তাইৰ মূৰটো গৈ গাড়ীৰ চালত খুন্দা মাৰিলে। তাইৰ গোটেই গা জনজনাই গ'ল।

"সাৱধানে বহিবা। এতিয়া কথা পতাত অসুবিধা হ'ব। তোমাৰ যি সুধিবলগা আছে ঘৰত গৈ সুধিবা।" প্ৰফেছাৰে তাইৰ মূৰ গৈ গাড়ীৰ চালত খুন্দা মৰা দেখিছিল। সেই কাৰণেই তেওঁ কথা সামৰাৰ ইংগিত দিলে। তাই তালুত হাত দি চালে। নাই তেজ-চেজ ওলোৱা নাই। স্বস্তিৰ নিশ্বাস পেলাই তাই হাত দুখনেৰে গাড়ীৰ ছিটত খামোচ মাৰি ধৰি শৰীৰৰ ভাৰসাম্য বজাই ৰাখিবলৈ চেষ্টা কৰিলে।

(আগলৈ)

ঠিকনা ঃ জুৰিপাৰ পথ, তৃতীয় গলি, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭, ফোন ঃ ৯৪৩৫০৪৬৮৯২